জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৯৬/২০২০

# গড়মূৰৰ কলাভূমি মাজুলীৰ গুৰুগৃহত চলি থকা দুমহীয়া হস্তশিল্প বিষয়ক প্ৰশিক্ষণ শিবিৰ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৭ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি সাঁচিপাতৰ পাণ্ডুলিপি প্ৰস্তুতি প্ৰণালীক মূল বিষয়বস্তু হিচাপে লৈ গড়মূৰৰ কলাভূমি মাজুলীৰ গুৰুগৃহত চলি থকা দুমহীয়া হস্তশিল্প বিষয়ক প্ৰশিক্ষণ শিবিৰ পৰিদৰ্শন কৰে। উল্লেখ্য যে শিল্পী মৃদুল বৰুৱাৰ তত্বাৱধানত এই সাঁচিপতীয়া শিল্প কৰ্মশালা আৰম্ভ হৈছে।

মুখ্যমন্ত্ৰীয়ে শিল্পীসকলৰ সৈতে মত-বিনিময় কৰি কয় যে গুৰুজনাৰ হাতৰ পৰশত প্ৰাণ পাই উঠা সাঁচিপতীয়া চিত্ৰৰ এক বিশেষ ঐতিহ্য আছে। ঐতিহ্যমণ্ডিত এই শিল্পক জীয়াই ৰখাৰ স্বাৰ্থত শিল্পীসকলে লোৱা ভূমিকাৰ শলাগ লয় মুখ্যমন্ত্ৰীয়ে। তেওঁ কয় যে অসমৰ এনে চহকী আৰু ঐতিহাসিক শিল্পকৰ্মক আমি সকলোৱে মিলি বিশ্ববাসীৰ সন্মুখত জিলিকাই তুলিব লাগিব।

পটুৱাসকলে মুখ্যমন্ত্ৰীক পটত লিখিত এক স্মাৰকপত্ৰও প্ৰদান কৰে। আনহাতে, শিল্পী মৃদুল বৰুৱাই মুখ্যমন্ত্ৰীক এটা পটচিত্ৰ উপহাৰ হিচাপে প্ৰদান কৰে।

আজিৰ এই অনুষ্ঠানত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দ্দন দেৱগোস্বামী, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ, মাজুলী জিলাৰ উপায়ুক্ত বিক্ৰম কৈৰী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে সাঁচিপাত শিল্পৰ এই প্ৰশিক্ষণে আমাৰ নতুন প্ৰজন্মক আধ্যাত্মিক আৰু সাংস্কৃতিকভাৱে শক্তি প্ৰদান কৰিব। ইয়াৰ জৰিয়তে বিশ্বৰ মানৱ সমাজে বহু কথাৰ উমান পাবলৈ সক্ষম হ'ব। এই কথাবোৰ প্ৰায় হেৰাই গৈছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত সাঁচিপাতৰ পুথিত লিখিব পৰাকৈ শিকোৱাটো এক উল্লেখযোগ্য দিশ। ড° ভূপেন হাজৰিকাই সাঁচিপাতে ভাষা দিব বুলি উল্লেখ কৰি গৈছিল বুলিও তেওঁ কয়। এই পৰম্পৰা যেতিয়া পুনৰ উজ্জীৱিত হ'ব তেতিয়া উঠি অহা প্ৰজন্মই জাতিটোৰ বিষয়ে বহু কথা জানিবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**ৰাঃবঃ / পুঃডেঃ**
**২৭/১১/২০২০**